
বিমান কুমাৰ দলে

# কবিতা এটাৰ কাহিনী






চাৰি বছৰৰ পাছত প্ৰকাশিত ‘কবিতা এটাৰ কাহিনী’ বিমান কুমাৰ দলেৰ চতুৰ্থখন কাব্যগ্ৰন্থ। চাৰি বছৰৰ ভিতৰত ৰচিত কবিতাবোৰে ইয়াত ঠাই পাইছে। পাঠকে ক’ব কবিতাবোৰৰ কথা।




HATI
YA
- 781133
o. 24536
DOL
ৰ দলে
36
vahati
a
781133
period not
s.
uest at the
marking or
tearing or
damaging it
us offence
he injury at
e/she shall
or pay its
clean


# কবিতা এটাৰ কাহিনী

বিমান কুমাৰ দলে


Guwahati Mahavidyalaya
24536

# kabita atar kahini

a collection of selected verses by biman kumar doley,
published by pranjal kumar mahanta on behalf of aalibaat, kahilipara,
kalyan xagar path, guwahati-19. assam. Price : Rs. 50.00

# কবিতা এটাৰ কাহিনী

কবি

**বিমান কুমাৰ দলে**

**প্ৰকাশক**

প্ৰাঞ্জল কুমাৰ মহন্ত

**আলিবাট**

কাহিলিপাৰা, কল্যাণ সাগৰ পথ

গুৱাহাটী-১৯

ফোন ঃ +৯১ ৯৮৫৪৫ ১৯৪৮৮

**মুখ্য পৰিৱেশক**

বনলতা

পাণবজাৰ, গুৱাহাটী-১

**প্ৰচ্ছদ** ঃ প্ৰাঞ্জল চোলাধৰা

**প্ৰথম সংস্কৰণ**

গ্ৰন্থ উৎসৱ, ২০১৩

© কবি

All rights reserved. No Part of this book may be reproduced in any form or by any means, electronic or machanical, including photocopying, recording or by anyinformation storage, without permission in writing from the writer.

**মূল্য ঃ সত্তৰ টকা**

ঃ মুদ্ৰণ ঃ

ভৱানী অফছেট্ এণ্ড ইমেইজিং চিষ্টেমছ্ প্ৰাঃ লিঃ, ৭-লাচিত লেন,
ৰাজগড় ৰোড, গুৱাহাটী-৭৮১০০৭, অসম, ভাৰত

মায়াৰ জৰীৰে
আমাক বান্ধি থৈ
যি গুচি গ'ল,
তেওঁ—

**প্ৰয়াত দাদা আনন্দ নৰহৰ সোঁৱৰণত**

সূচী

০১ | পুখুৰীটোৰ পাৰত মাজৰাতি
০২ | জখলা
০৪ | জুইকুৰা জ্বলাই দিয়া
০৫ | ভাবি দুখ লাগে
০৬ | সেই মুখখন
০৭ | কবিতা
০৮ | তুমি এজনী নাঙঠ ছোৱালী আছিলা
১০ | জীয়াধলৰ পানী
১২ | এটা দৃশ্য
১৩ | নিঃনামে কান্দি আছে
১৫ | বৰষুণ
১৭ | চাপৰিটো শূন্য কৰি
১৮ | কবিতা
১৯ | গেলাবিল
২১ | কোনে মাতে মোক
২৩ | ঘৰ
২৪ | ৰং
২৫ | তোমাৰ দৰে তোমাক
২৬ | এখিলা সৰাপাত
২৭ | ফৰিং অথবা উঁইচিৰিঙাৰ মাত এটা হৈ

# পুখুৰীটোৰ পাৰত মাজৰাতি

পুখুৰীটোৰ পাৰত মাজৰাতি
জোনাকীবোৰে কথা পাতে
গুণ্‌গুণাই গুণ্‌গুণাই

বাঁহনিডৰাত কাপোৰ খুলি
জোনটো পানীলৈ নামে
পানীত এটা বুৰবুৰণি উঠে

শামুক আৰু বেংবোৰে
লুকাই লুকাই চায়
জোনটোৰ বুকু তিতিল নে নাই

আৰু মাছবোৰে পানীৰ তলত
ফান আৰু ফিচা নচুৱাই
জোনটোক জোকায়

আন্ধাৰ কঁপায়

## জুইকুৰা জ্বলাই দিয়া

আজিও ৰাতি বৰ জাৰ পৰিব
জাৰত মই দীঘল ৰাতিটো
অকলে কটাব নোৱাৰোঁ

জুইকুৰা জ্বলাই দিয়া
আন্ধাৰত মই হাত মেলিব নোৱাৰোঁ
ভৰি ল'ৰাব নোৱাৰোঁ

জুইকুৰা জ্বলাই দিয়া



## ভাবি দুখ লাগে

ওখ পাহাৰাটোৰ টিংটোত
ফুলপাহ এতিয়াও ফুলি আছে

ৰঙা ফুলপাহ বতাহত
হালি-জালি আছে

মই পাহাৰটোলৈ উঠিব নোৱাৰোঁ

দূৰৰপৰাই মাজে মাজে
মূৰ তুলি চাওঁ

পাহাৰটো দূৰৈত
পাহাৰটো বৰ ওখ

ভাবি দুখ লাগে

তেৰোঁ যে কেতিয়াও তললৈ
নামি আহিব নোৱাৰে

# সেই মুখখন

পাহৰা নাই সেই মুখখন
ল'ৰালিৰ বালিঘৰত ভাত-শাক ৰান্ধি
শালিকীক মাতিছিলোঁ— শালিকী ৰটৌ.... টৌ....
ভাত হ'ল, শাক হ'ল...

এতিয়াও মোৰ মুখত
সেই মুখৰ ছাঁ পৰে
পুৱাই-গধূলিয়ে কঁপি উঠে

বগৰী গছৰ ছাঁ আৰু মধুৰিআমৰ ডালত
এতিয়াও শুনা পাওঁ
চৰাইৰ মাতৰ দৰে বিনন্দীয়া
সেই মুখৰ মাত
আম তলত জাম তলত
জয়াল দুপৰীয়া

সময়ৰ সোঁৱৰণি দীঘল হৈ গৈ থাকে
ময়ো পিছুৱাব নোৱাৰোঁ
তুমিও আগুৱাব নোৱাৰা

কিমান ওচৰত আছিলোঁ আমি
কিমাত দূৰলৈ গুচি আহিলোঁ

পাহৰা নাই একো
গুৰুম্‌কৈ ভাগি গৈছিল
এখনি সাঁকো



# কবিতা

তেওঁক চাবলৈ গৈছিলোঁ
তেওঁ অভিমান কৰি আছিল

তেওঁৰ অভিমান ভাঙিব খুজিছিলোঁ
তেওঁ উচুপি উঠিছিল

তেওঁৰ উচুপনি বন্ধ কৰিবলৈ গৈ
নিজেই উচুপি উঠিছিলোঁ মই

# তুমি এজনী নাঙঠ ছোৱালী আছিলা

এজাৰ ফুলৰ আবেলি
তোমাক যেতিয়া প্ৰথম দেখিছিলোঁ
তুমি এজনী নাঙঠ ছোৱালী আছিলা

বুকুত ধূলি কপালত ধূলি
হাত-ভৰিত লাগি আছিল বোকা আৰু মাটি

তুমি যেতিয়া এজনী নাঙঠ ছোৱালী আছিলা
মই তেতিয়া এটা
বাঁহী বজাব নজনা গৰখীয়া আছিলোঁ
মই আছিলোঁ এটা
কোনেও নেদেখা সপোন
কোনেও নোগোৱা গান



চিপ্‌চিপ বৰষুণৰ ৰাতি
এদিন যেতিয়া আয়তীহঁতৰ উৰুলিয়ে
এজোপা কলপুলি কঁপালে
তোমাতকৈও ধুনীয়া হৈ পৰিল
তোমাৰ ছাঁটো

ছাঁটোৰ চৌপাশে বিয়পি থাকিল
ৰিব্‌ৰিব্ সেউজীয়া
সুগন্ধি বতাহ

কিন্তু মইহে এতিয়ালৈকে
বাঁহীটোকে বজাব নাজানিলোঁ
নাজানিলোঁ পাহৰিব তোমাকো

## জীয়াধলৰ পানী

জীয়াধলৰ পানী বাঢ়ি
গাঁওবোৰ বুৰাই পেলাইছে

খুব দুখ লগাকৈ ওপঙি ফুৰিছে পানীত
তেজ-মঙহৰ মাত-কথা
ৰঙিয়াল প্ৰাণৰ গীতৰ সুৰ

বাঁহনি কাঠনি বুকুলৈকে তিতিছে
সেউজীয়া মনৰ গছৰ চুবুৰি
নৈ পাৰৰ কঁহুৱা বিৰিণা বন
ভাগি-ছিগি উটি আহিছে
টুকুৰা-টুকুৰ দলং

ঘৰৰ মুধচত পৰি
এজাক কাউৰীয়ে ৰাউচি জুৰিছে
উচুপনি আৰু চকুলোৰে
মানুহবোৰে চাই আছে পানীলৈ



ওখ ওখ মথাউৰিবোৰত অস্থায়ী জুপুৰিবোৰ
এটা এটাকৈ মূৰ দাঙি উঠিছে
শিবিৰ পাতি বহিছে
গঁৰালৰ হাঁহ-কুকুৰা, গোহালিৰ গৰু-ছাগলী
পচা পচা গোন্ধাইছে ভঁৰালৰ গুটিধান

তেওঁলোকে নলত ধৰিলেও নল ছিগিছে
দলত ধৰিলেও দল ছিগিছে
বোকাই-পানীয়ে সাঁতুৰিছে
তথাপিও ক'তো থাউনি পোৱা নাই
পাৰ বাগৰি উপচি পৰা
দুৰ্যোগৰ সেই ভৰা ৰাতি
উজাগৰ দুচকুৰে মই দেখা পাওঁ

তোমালোক নিদ্ৰিত নে জাগ্ৰত
বৈ থকাৰ বাবে গৈ আছা নে
গৈ থকাৰ বাবে বৈ আছা

নাও আনা, আনা ব'ঠা
চম্পাৱতীৰ পিতায়েকৰ সৰু সৰু সপোনবোৰো
এই তল যায় যায়...
ধান নাই চাউল নাই
দূৰলৈ গুচি যায় অজগৰ জোঁৰাই

# এটা দৃশ্য

সেউজীয়াই বিচাৰি নোপোৱা
মটীয়া পাহাৰটো
মোৰ চকুত হেৰাই যায়

চৰাইবোৰৰ পাখিৰপৰা
গধূলি নামি আহে
ধূলি আৰু কুঁৱলীৰ মাজেদি

সন্ধিয়া হওঁ হওঁ হৈ আহে
দূৰণিৰ মন্দিৰত
টিলিঙা বাজে

পাহাৰটোৰ নামনিৰ
ৰঙা পানীৰ জুৰিটোত
জোবোৰা এটা মাৰি
জোনটো ওলাই আহে

ভৈয়ামত এখনি গাঁও
গুণ্‌গুণাই উঠে লাহে লাহে
জোনটোৰ পোহৰত



# নিঃনামে কান্দি আছে

নাম নজনা নৈখনৰ পাৰত
নিঃনামে কান্দি আছে

তাইৰ আইতাকো দূৰত আছে
ককাকো দূৰত আছে

আমি তাইক নিচুকাওঁ
নাৰমাৰি বিলৰপৰা মাছ খেপিয়াই আনি দিম
গংগাধৰ তাৰৈৰ বাৰীৰপৰা বগৰী পাৰি আনি দিম
আবুতানিয়ে সিঁচা আহুধান পকিবলৈ লৈছে
ধনু-কাঁড় লৈ কপৌ চৰাই খেদি দিম

নাকান্দিবা, নাকান্দিবা, অ' নিঃনাম
আমি আছোঁ পাকৈত নাৱৰীয়া
তলি ফুটা টুলুঙা নাও হ'লেও
অবনৰি পাৰ হৈ তোমাৰ পিতাইক
নাৱত তুলি ওভতাই আনি দিম
কুকুৰাৰ তেজ জলখায়ে নাখালেও
গাহৰিৰ তেজ থলখায়ে নাখালেও
জোনক দিম বেলিক দিম

নাকান্দিবা, নাকান্দিবা, অ' আয়াং কনেং
ধান নহ'লেও চাউল নহ'লেও
আমাৰ তেজ-মঙহেৰে
জোন-বেলিৰ ঋণ শুজি দিম
সকলোৰে জনা কথা, জোন বেলিৰেই সন্তান আমি
অ' জোন, অ' বেলি
নিঃনামৰ পিতায়েকক ওভতাই আনি দিয়া

চোৱা, চোৱা, সৌৱা —
নোদোকা গাহৰি পোৱালিবোৰ নোক্‌নোকাই আছে
ৰঙা-বগা কুকুৰা পোৱালিবোৰ পিঁ-পিয়াই আছে
আগলি কলাপাত লৰি-ছৰি আছে

নিঃনাম অ' নিঃনাম, হাঁহা হাঁহা, আয়াং কনেং
ডাঙৰ নৈ পাৰ হ'বলৈ
ডাঙৰ নাও সাজো আহা

পুনশ্চঃ
সপোন নহয়, সপোন নহয়
তাই সঁচাকৈয়ে কান্দি আছে
তাই যে আজি বহুদিন পিতায়েকৰ মুখ দেখা নাই
অ' জোন, অ' বেলি
তাইৰ পিতায়েৰক ওভতাই আনি দিয়া...

টোকা ঃ নিঃনাম— নিচুকনি
আবুতানি— আদিপুৰুষ
আয়াং কনেং— মৰমৰ, চেনেহৰ ছোৱালী



## বৰষুণ

মোৰ দুখ বঢ়াবলৈকে
আহা তুমি

আৰু বিষাদত ভোগাই
মন-মগজু তিয়াই
আকৌ উভতি যোৱাগৈ

বৈ থাকোঁ মই
হুমুনিয়াহ কাঢ়োঁ

খিৰিকী খুলি তোমাক
চাই থাকিব নোৱাৰোঁ
তোমাৰ স'তে হুৰ্‌হুৰকৈ
সৰি পৰিব নোৱাৰোঁ
বোকাত মাটিত ঘাঁহনিত

দিন কি ৰাতি কি
মোৰ দুখ বঢ়াবলৈকে
আহা তুমি

ন পানী পাই উজান উঠা ৰাতি
তোমাৰ বুকুত বুকু থৈ
পকা ফল এটাৰ গোন্ধ ল'বলৈ বৰ মন যায়
কুমজেলেকুৰা এটা হৈ বগুৰা বাই
দৰ্শন কৰিবলৈ মন যায়
তোমাৰ ব্ৰহ্মাণ্ডৰ ৰূপ

ময়ো জানো, তুমি কিমান ময়াপী
তুমি কেৱল দুখ বঢ়াবহে জানা
কমাব যে নাজানা...



## চাপৰিটো শূন্য কৰি

চাপৰিটো শূন্য কৰি
বুৰ গ'ল বেলিটো

বালিৰ বুকুত পৰি ৰ'ল
বগলী পাখিৰ ছাঁ
পানী যুঁৰলিত
মৰা শামুকৰ উশাহ

নাৱৰ টিঙত
মূৰ্ছা যোৱা
কৰুণ গানৰ সুৰ এটাই
কঁপি কঁপি ক'লে ঃ

উভতি আহিবি সখি
জোন ওপজা ৰাতি

আমি যে ইয়াত বন্দী

নৈখনৰ পাৰৰ গাঁওবোৰ, বাটটো
বাটটোৰ মূৰৰ পথাৰখন
জিলি উঁইচিৰিঙা জোনাকী পৰুৱা
বগলী কণামুচৰি বৰটোকোলা
ঘাটে ঘাটে তিতা কাপোৰ
আৰু গাঁৱলীয়া তিৰোতাবোৰ দেখোঁ

আগুৱাব নোৱাৰোঁ, বৈ থাকিব নোৱাৰোঁ
লাহি ৰূপহী কঁকালেৰে মেৰিয়াই ধৰে নৈখনে
চকুৰ মণিত মৰা মাছ এটাই জঁপিয়াই
মনৰ তলিৰপৰা উকিয়াই
এটা গৰখীয়া ল'ৰাই

আৰু সেই পুৰণি কথাটোৰে
এতিয়াও মাজে মাজে আমনি কৰে
কি শাপৰ ফলত এনে ৰূপহী নৈখনৰ নাম
'গেলাবিল' হ'ল?

ৰূপহী নৈ ৰূপহী নৈ
তোৰ নামটো সলাই ল'ব নোৱাৰা দুখ
কাৰ স'তে ভগাই লওঁ মই

*গেলাবিল— গোলাঘাট জিলাৰ এখন উল্লেখযোগ্য নৈ।*



## কোনে মাতে মোক

গোটেই ৰাতি টোপনি নাহে
আন্ধাৰৰ ছাঁত মুখ লুকুৱাই
কোনোবাই মোক মাতি থাকে

ব'লা যাওঁ সিপাৰলৈ...
সাঁকো সাজি থৈছোঁ
নাও বান্ধি থৈছোঁ

চুঁচৰি-চুঁচৰি আহে
মাটিৰে মাতটো
বগুৰাবাই আহে পানীৰে

বৰ ভয় লগাকৈ সেই মাতে
মোৰ বুকু কঁপাই তোলে

দুখৰ ঘৰৰ দুৱাৰ খুলি
মই ওলাই যাব নোৱাৰোঁ
শূন্যতাৰ পদূলিৰ জপনা ডেই
ওলাই যাব নোৱাৰোঁ

জেং আছে কাইট আছে
কেনেকৈনো যাওঁ

মোৰ অস্থিৰতা বঢ়াবলৈকে
কোনোবাই এনেকৈ মাতি থাকে নেকি
আন্ধাৰৰ ছাঁত মুখ লুকুৱাই

কোনে মাতে মোক
জীৱনে নে মৰণে



## ঘৰ

পুৰণিয়েই হওক বা নতুন

সকলো মানুহৰ
একোখনকৈ ঘৰ থাকে

সপোনৰ ঘৰ
দিঠকৰ ঘৰ

কিন্তু
ঘৰ মানেইতো ঘৰ নহয়

যদি ঘৰৰ ভিতৰত
ঘৰ নাথাকে
মানুহৰ ভিতৰত মানুহ

যাৰ হৃদয়ত ঘৰ থাকে
তেওঁৰ বাবে
গছৰ তলো ঘৰ

প্লেটফৰ্ম, ফুটপাথ

## ৰং

দৌল উৎসৱৰ আকাশত
জোনেও ৰং সানিছে
নিৰাবৰণ শৰীৰত

সকলো ৰঙৰেই জোন প্ৰিয়
এনেও
ৰঙিলী জোনৰ মন

কিন্তু আমি এই মানুহবোৰ
যিসকলৰ নাই মনৰ ৰং
কি ৰং সানি ৰঙীন হওঁ
ফাকুগুড়িৰ ৰং
নে
জুই জ্বলি থকা দেশৰ
ধোঁৱা ছাই



## তোমাৰ দৰে তোমাক

এতিয়া শৰৎ কাল
আকাশ মুকলি দিগন্ত নীলা
লাহে লাহে বাঢ়ি যায়
মনৰ গোপন অস্থিৰতা

মই পূবলৈ চাওঁ পশ্চিমলৈ চাওঁ
উত্তৰলৈ চাওঁ দক্ষিণলৈ চাওঁ
ডিঙি মেলি মেলিও
তোমাক দেখা নাপাওঁ

মই অজস্ৰ চকুৰেদি তোমাক বিচাৰি থাকোঁ
মই অজস্ৰ বাটেদি অহা-যোৱা কৰি থাকোঁ
মাছ হৈ পানীত নামোঁ
কেৰেলুৱা হৈ মাটিত বগাওঁ

মই জানো, সতকাই তোমাক লগ নাপাম
তথাপি মই বুৰোঁ বুৰোঁ বেলিৰ বুকুলৈ চাওঁ
কঁপা কঁপা জোনৰ চকুলৈ চাওঁ

দেখোৱেইবা ক'ৰবাত
তোমাৰ দৰে তোমাক

# এখিলা সৰাপাত

শেষ হৈ আহিছিল শীত
হ'লেও অলপ জাৰ আছিল
ঘনকৈ কুঁৱলী পৰিছিল

সেইদিনা ৰাতি মোৰ
চকুত টোপনি নাছিল
ইকাটি-সিকাটিকৈ
তেওঁৰ কথাকে ভাবি আছিলোঁ
ভাবি আছিলোঁ
শেষ হৈ যোৱা বছৰ এটাৰ কথা
পৃথিৱীৰ প্ৰথম
পুৰুষ আৰু নাৰীগৰাকীৰ কথা

এনেতে মোৰ শোৱনিকোঠাৰ
খিৰিকীৰ সিপাৰত
কোনোবাই টক্‌টকাইছিল
ভাবিছিলোঁ তেৱেঁই হ'ব

ওলাই গৈ দেখিলোঁ
চিত হৈ পৰি আছে এখিলা সৰাপাত
ঠটা মাটিত



# ফৰিং অথবা উঁইচিৰিঙাৰ মাত এটা হৈ

ফৰিং অথবা উঁইচিৰিঙাৰ
মাত এটা হৈ
মাজৰাতি আজি
তোমাৰ তালে' যাম

পকাধান বৰণীয়া
গান এটা হৈ
তুমি টোপনিয়াই থাকিবা

তোমাৰ ছালৰ তলেৰে
তেজৰ তলেৰে
মই বগাই ফুৰিম

অসম্ভৱ সপোন এটাৰপৰা
তুমি সাৰ পাবা
দুয়ো দুয়োকো সাবটি ধৰিম
আৰু চেঁচা হ'ম গৰম হ'ম
গোটা হ'ম

মাজৰাতি আজি তুমি
ঘাঁহৰ দৰে গোন্ধাই থাকিবা
সেউজীয়া বিছনাত

ফৰিং অথবা উঁইচিৰিঙাৰ
মাত এটা হৈ

মই বগুৰাবাই যাম হেৰেপনি ফালি



# ইমান দিনে

ইমান দিনে তোমাক
উঁইচিৰিঙাৰ মাত এটাকে
দিব পৰা নাই

প্ৰাত্যহিকতাৰ সকলো স্থান আৰু কাল অতিক্ৰমি
ইয়াৰপৰা আমি এদিন
যাবগৈ লাগিব

এই পথাৰ আৰু পাহাৰবোৰক
নৈ আৰু অকলশৰীয়া গছবোৰক
কি কৈ যাম
সৰাপাতৰ বুকুত
লি লিখিম

ইমান দিনে
নিচেই ওচৰা-ওচৰিকৈ থাকিও
আমি এজনে আনজনক চিনি নাপালোঁ
ইপাৰৰপৰা সিপাৰৰপৰা
কোন আহিল কোন গ'ল
কোনটো ঘাটত কোনে চপালে
বাৰুদভৰা নাও

ফ্লাই অ'ভাৰৰ তলত
পুতি থৈ গ'ল কোনে
কাণ-তাল মাৰি যোৱা এটা শব্দ

জীয়াই হওক বা মৰা
আমি এতিয়াও চিনি পোৱা নাই
এইখন কাৰ মুখ, সৌখন কাৰ হাত
এই দুটা চকু...



# নীলা চৰাই আৰু কবি

(নেপালী লোকগীতৰ আৰ্হিত)

১.
ছিৰিলি- ছিৰিলি বতাহে
গছপাতবোৰ সকুৱাইছে

অ' মোৰ নীলা চৰাই

লুকুৱাই ৰাখিবা
তোমাৰ ৰঙা যৌৱন

নহ'লে বতাহে
চুই চাব

আৰু 'ৰক্‌চি' খাবলৈ অহা ডেকাহঁতক কৈ দিব

২.
বসন্তৰ বননিত
পিৰীতি ফুল ফুলিছে

ন পানীত জঁপিয়াইছে
সৰু সৰু মাছ

আহা আমি লুকাভাকু খেলোঁ
গোমধাননিত

জোন-বেলিক সাক্ষী কৰি

টোকা ঃ
'ৰকচি' ঃ ফটিকা, মদ



# দূৰ-দূৰণিৰ চহৰত

বাৰিষা কালত
নৈখনৰ দুয়োপাৰত উচুপি উঠে
শাৰী শাৰী গাঁও

ওপৰত বৰষুণ
তলত বোকা-পানী
এডিঙি

আঁঠুত মুখ গুজি
জুহালৰ কাষত উদং গাৰ পুৰুষবোৰ
আৰু কেঁচা খৰিৰ ধোঁৱাই চকু ছাটি ধৰা
মেঠনি মৰা তিৰোতাবোৰ

জোন আৰু বেলি

ফেনে-ফোটোকাৰে ভৰা
নৈখনৰ দুয়োপাৰত
তাহানিৰপৰাই উচুপি আছে

আমি উচুপি আছোঁ
দূৰ-দূৰণিৰ চহৰত

কিয়নো
ঈশ্বৰে দিয়া দান বুলি
অজ্ঞানতাত জন্মা
আমি জোন বেলিৰেই নাতি-পুতি

# হাজাৰ-বিজাৰ সোণাৰু-আজাৰ

বসন্তৰ শেষ বৰষুণজাকে
পানীপিয়াৰ মাত
হৰি নিলে

অতদিনে ছিৰালফটা পথাৰখনত
ঘাঁহ গজিল
সেউজীয়া হ'ল

চাই থাকোঁতেই দিগন্তজুৰি
ফুলিল ফুল
হাজাৰ-বিজাৰ সোণাৰু-আজাৰ

চোৰা
দূৰণিলৈ চোৰা, আৰু দূৰণিলৈ

কিন্তু, দুখৰ কথা
ফুললৈ নোচোৰা মানুহৰ সংখ্যা
দিনে-ৰাতিয়ে বাঢ়িছে



# আন্ধাৰ

চুটিকৈ মেখেলা পিন্ধি
মাছলৈ যোৱা ছোৱালীজনী
সেইদিনা গধূলি উচুপি আছিল
গৰ্ভত এটা জোন লৈ

গাঁওখনৰ এমূৰত

সিটো মূৰৰ নৈখনত
এপাহ মেটেকা মৰহিছিল গোপনে

গোপনে বতাহৰ সোঁতে সোঁতে
সোঁতে বিপৰীতে
সেই উচুপনি বিয়পি গৈছিল
অথালি-পথালিকৈ

চাপৰিৰ খুঁটিত গাই গৰু বান্ধি
গৰখীয়াটো ঘৰলৈ ওভতাৰ পৰত
মই শুনা পাইছিলোঁ

কঁপা কঁপা মাতেৰে কাণে কাণে ফুচ্‌ফুচাই
আইতাকে সুধিছে নাতিনীয়েকক ঃ
ক'ত কি ভুল হ'ল আই
ধান পকা নাই বতা চৰাই উৰা নাই
মাকে কান্দিছে ইনাই-বিনাই
পিতাকে কান্দিছে বৈ

তাৰপাছত এফালৰপৰা
গোটেই গাঁওখন আন্ধাৰ হৈ আহিছিল
মানুহবোৰো



## ৰঙা ফুলবোৰ ফুলে

ৰঙা ফুলবোৰ ফুলে
পাহাৰটোৰ ওপৰত

নৈখনৰ পাৰত
উৰি ফুৰে
এটা ৰঙা চৰাই

তুমি নৈখনৰ পাৰতে থাকা
অথচ এবাৰো
পাহাৰটোলৈ নোচোৱা

কেৱল মইহে চাই ৰওঁ
পাহাৰ আৰু নৈখন
আৰু আটাইবোৰ ফুলত
তোমাৰ মুখখন

## প্ৰথম চিনাকিৰ দিনা

প্ৰথম চিনাকিৰ দিনা
তোমাৰ চকুলৈ চোৱা নাছিলোঁ

আজি দেখিলোঁ

তোমাতকৈও ধুনীয়া তুমি

তোমাক দেখি ভাবিছোঁ
অতদিনে তোমাৰ চকুলৈ
কিয় চোৱা নাছিলোঁ



## চকুলো

সৰু ভনীৰ চকুলোৰে
দুপৰীয়াটো তিতিছে

গাহৰি মঙহ ৰান্ধি
আমি জোন-বেলিলৈ বৈ আছোঁ

নগা পাহাৰৰ নামনিত
মাহ-হালধি সানি
আজি মাজু ভনী উভতি আহিব

আইৰ দুধাৰি চকুলো
ঔ হৈ বাগৰিছে

মাটি চাকি এগছি জ্বলাই
তামোল দুখন থুৰিয়াই
আমি প্ৰপিতামহৰ প্ৰাৰ্থনাত বহিছোঁ

আই বাই ভনীহঁতক
কুশলে ৰখাৰ প্ৰাৰ্থনাত

# চেঁচা বতাহ এজাকে গা কঁপাইছে

চেঁচা বতাহ এজাকে
গা কঁপাইছে

ক'ৰবাত জলফাই সৰিছে চাগে
কাৰোবাৰ খিৰিকী কাষত
হয়তো কোনোবাই দেখিছে
আন কোনোবাই বুটলি লৈছে

গধূলিৰ বাটেদি
গাঁৱলীয়া তিৰোতাবোৰ
ঘৰলৈ উভতিছে
মূৰত খৰিৰ বোজা লৈ

ৰৈ ৰৈ
জিলীয়ে মাতিছে

বেলি মাৰ যাওঁ যাওঁ
কাঁচিজোন ওলাওঁ ওলাওঁ

তুমি চাগে এতিয়াও
ফু চুঙাৰে ফুবাই আছা
ধোঁৱাই থকা একুৰা জুই



# ব'হাগৰ কবিতা

শেহনিশা
এটা চৰাইৰ মাতত
সাৰ পাই গ'লোঁ

বাহিৰত
তেতিয়াও পোহৰ হোৱা নাই

কেৱল
এজাক মলয়াৰ
দুৰু দুৰু শব্দ

পোহৰ হোৱাৰ অলপ পাছত
দেখিলোঁ —
গছবোৰে সলাইছে সাজ
মানুহবোৰৰ অলক্ষিতে

আৰু তুমি
নৈখনৰ পাৰত
গছৰ পাতত
চৰাইৰ মাতত

উৰি ফুৰিছা

## কবিতা এটাৰ কাহিনী

আমি যেতিয়া নৈৰ পাৰত আছিলোঁ
নৈয়ে আমাক খেদিছিল

আমি আমাৰ প্ৰপিতামহৰ
ভেটি-মাটি হেৰুৱাই
অৰণ্য এখনলৈ ঢাপলি মেলিছিলোঁ

আমি যেতিয়া অৰণ্যত আছিলোঁ
অৰণ্যত জুই লাগিছিল

জুই দেখি ভয় খাই
আমি আকৌ দলে দলে
নৈৰ পাৰলৈ উভতি আহিছিলোঁ

আৰু কি সাংঘাতিক কাণ্ড!
নৈৰ পাৰতো
জুই লাগি থকা দেখিছিলোঁ
ইকৰা-খাগৰি কঁহুৱা-বিৰিণাৰ গাত

আৰু দেখিছিলোঁ
পানীত ওপজা ল'ৰা-ছোৱালীবোৰ
জুইৰ সৈতে খেলি থকা



## ঢৌবোৰৰ কথা

আটাইতকৈ ওখ শিলটোত বহি
আমি নৈখনলৈ চাই আছিলোঁ

সোঁত আছিল
ঢৌ নাছিল

আমাৰ অনেক কথা আছিল পাতিবলৈ
আমাৰ অনেক যুক্তি আছিল তৰ্ক কৰিবলৈ
তথাপি আমি কথা পতা নাছিলোঁ

শিলৰ দৰে মৌন হৈ
চেঁচা হৈ আছিলোঁ
ওঁঠত একোটা ভৰদুপৰীয়া লৈ

অলপ পাছত মৌনতা ভাঙি
তুমি উচুপি উঠিছিলা
বহুত দিন তোমাক
লগ নোপোৱা দুখত

তুমি শিলৰ দৰে গধূৰ
চকুলো টুকিছিলা

তোমাৰ বুকুত গুজৰি-গুমৰি থকা
ঢৌবোৰৰ কথা
মই বুজি পাইছিলোঁ

মোৰ বুকুৰ ঢৌবোৰৰ কথাহে
বুজাব পৰা নাছিলোঁ



## কবিতা

তেওঁ মোক সুধিছে ঃ
আজিকালি তুমি কিয়
মোৰপৰা দূৰত থাকা?

মই কৈছোঁ ঃ
মই যে কেতিয়াও
মোৰ ওচৰত নাথাকোঁ।

খন্তেক ভাবি —
তেওঁ মোৰপৰা দূৰলৈ গৈছে

মই কাষ চাপি আহিছোঁ
মোৰ ওচৰলৈ

## মৃত্যু

মায়াৰ জৰীৰে
আমাক বান্ধি থৈ
তুমি তেওঁক লৈ গ'লা

লৈ গ'লা
নীলাৰ এটা ছায়া হৈ

আমাৰ বুকুত
গধুৰ শূন্যতা

এতিয়া তুমি কিমান দূৰত
আমি নাজানো
কিমানেইবা ওচৰত



ছায়াই ঘেৰা
আমাৰ চকুৰ আগেদি
অহা-যোৱা কৰি আছে
ক'লা কুকুৰ এটা

আন্ধাৰে
ভুকিছে

তোমাৰো কেতিয়াবা
কালক্ষণ গণনা ভুল হয় নেকি

নিব লগীয়াজনক নিনি
নিনিব লগীয়াজনক লৈ যোৱা

## জিএঞা আৰু উঁৰিকনা

শিলত ঠেকা খাই
উভতি অহা ৰ'দ

তোমাৰ মুখত পৰি আমনি কৰিছে
তুমি মুখখন বেঁকা কৰি
জুৰিৰ পানীখিনিলৈ চাইছা

তোমাক আমনি কৰা ৰ'দৰপৰা
নিজকে লুকুৱাবলৈ চেষ্টা কৰিছা

তুমি তোমাক লুকুৱাবলৈ গৈ
জিলিকিহে উঠিছা বেছিকৈ

সেই কথা তুমি জনা নাই
গছ পাতবোৰেও
চৰাই-চিৰিকটিবোৰেও



জানিছোঁ মাথোঁ মই

কিয়নো, উঁৰিকনা এটি হৈ
মই চাই আছোঁ তোমাক
পানীৰ তলৰপৰা

জিএঞা অ' জিএঞা
জুৰিৰ পাৰলৈ অকলে নাযাবা

কোনোবাই দেখে যদি
থপিয়াই নিয়ে যদি...

24536

## নৈ পাৰে বিল পাৰে

নৈ পাৰে বিল পাৰে
শৈশৱত দেখা মানুহ এজনে
ৰাজপথলৈ ওলাই আহি চিঞৰ এটা মাৰিলে

বতাহৰ এটা স্বৰ হৈ চিঞৰটো
গোটেই গাঁওবোৰত বিয়পি পৰিল

চিঞৰ শুনি উধাতু খাই সদল-বলে
গাঁৱৰ মানুহ আহি ৰাজপথত থিয় হ'ল
আৰু এটা চিঞৰ হাজাৰ-বিজাৰ চিঞৰ হৈ
নগৰখনক কঁপাবলৈ ধৰিলে

যিসকলে দেখা নাই নৈ আৰু বিল পাৰৰ জীৱন
সিহঁতে ৰাজপথত জুই জ্বলাই দিলে
জুইলৈ কোনেও অকণো ভয় নকৰি
জুইৰ মাজেদি পাৰ হৈ আহিল
একোজাক শিশু, একোজনী তিৰোতা



এজনে চিঞৰিলে ঃ নদীৰ গতি নদীৰ নিজা
মাটিৰ মমতা মাটিৰ নিজা
বাকীখিনিয়ে হয়ভৰ দিলে আৰু চিঞৰিলে ঃ
আমাৰ তেজ আমাৰ নিজা

এনে ঘটনা য'তে ত'তে ঘনঘনকৈ ঘটি আছে
আপোনালোকে দেখি আছে

আপোনালোকহে আমোলা-মন্ত্রী বিষয়াসকল
গৱেষক পণ্ডিত বিশাৰদসকল
গভীৰভাৱে চিন্তা কৰক আৰু চাওক
নৈ পাৰে বিল পাৰে
এতিয়াও মানুহ আছে

## কথা

‘তোমাৰ কথা ভাবি থাকোঁতে
মোৰ অনেক কথাই ভবা নহয়’
এই সহজ কথাটোকে
তোমাক কওঁতে

বেলেগ এটা অৰ্থত
বেলেগ এটা কথা
তুমি ক’লা এনেদেৰে ঃ
কিয় ভাবা ইমান কথা

মোৰ কথাকেই ভাবি থাকোঁতে যদি
মোকেই পাহৰি থাকা

কথাটো কি!!



## দুটা কবিতা

(হীৰুদাৰ স্মৃতিত)

এক

**সুদূৰৰ বাঁহীৰ মাতৰ দৰে**

দেউতাই কৈছিল ঃ
আমাৰ মাজদলপা গাঁৰত বানপানী
ভঁৰাল বুৰোঁ বুৰোঁ

সেইদিনা মাজৰাতি বৰষুণ পৰিছিল

সুদূৰৰ এটা বাঁহীৰ মাতৰ দৰে মিহি
বৰষুণজাকে মোৰ বুকুত বিষাদৰ সুৰ তুলিছিল
ওৰে ৰাতি অহা নাছিল টোপনি

পিছদিনা পুৱাবেলা নীলা পৰ্দাত দেখিলোঁ —
তেওঁলোকে তোমাক বগা কাপোৰ এখনেৰে ঢাকি দিছে

দুই

## কৰবী কাঞ্চন খৰিকাজাঁই

তোমাৰ হাতৰ মুঠিত লৈ ফুৰা শব্দবোৰ
ৰং-বিৰঙৰ পখিলা হৈ উৰি ফুৰিছে

এপাহি গোলাপৰ পাহিৰপৰা
এপাহি ৰঙাজবাৰ কুহুমলৈ

লোতকভৰা চকুৰে আছে ৰৈ
কৰবী কাঞ্চন খৰিকাজাঁই
তোমাৰ দুখৰ ঋতুৰ



## চকুৰ পানীয়ে ছাটি ধৰে চকুৰ পোহৰ

চকুৰ পানীয়ে ছাটি ধৰে
চকুৰ পোহৰ

এই মুলুকত
য'ত-ত'ত জুই জ্বলে
য'ত-ত'ত পানী বাঢ়ে

জুই জ্বলাই কোনে
এখন অদৃশ্য হাতে
পানী বঢ়াই কোনে
জলশাই দেৱতাই

জুই নুমুৱাই কোনে
কাল সৰ্পৰ জিভাই
পানী শুকুৱাই কোনে
উৰি যোৱা সময়ে

উত্তৰে গাজিছে
মাৰা লৰ
দক্ষিণে গাজিছে
মাৰিব খৰ

পূৱলৈ চোৱা দেখিছা কি
চকু পানীৰ জুৰি
পশ্চিমলৈ চোৱা দেখিছা কি
চিতা জুইৰ লানি

ৰাজপথলৈ চোৱা আৰু কোৱা
কি দেখিছা
ডাঙৰ ডাঙৰ হাঁতোৰা...



## নাও

বাৰিষাৰ বৰষুণে চোতাল ওপচাই পেলাইছে

আৰু সৰু ল'ৰা-ছোৱালীবোৰে
কাগজৰ নাও সাজি
উলাহত উটি ফুৰিছে

কাগজৰ নাও দেখি
মোৰ মনলৈ আহি আছে
আন এখন নাৱৰ কথা
যিখন নাও ককাদেউতাই সজাইছিল
আৰু আমাৰ দিনতো চলি আছে

ভৰ বাৰিষা কালত
যিখনত উঠি ভ্ৰমি ফুৰোঁ আমি
বাঁহনি-কাঠনি, চাপৰি-মথাউৰি

সিপাৰৰ চিএঙৰবোৰ ইপাৰলৈ তুলি আনো
চৰাই পোৱালিবোৰ, তিতা তিৰোতাবোৰ
মাছ কাছ কেঁকোৰাবোৰ

যিখন আমাৰ বংশ-পৰিয়ালৰ গৌৰৱ
পৰম্পৰা আৰু পৰিৱৰ্তনৰ সাক্ষী
সেই নাওখন মনলৈ আহে
খৰালি কালত যি ভঁৰালৰ চাং তলত জিৰায় আৰু
নিজৰ সবল উপস্থিতি ঘোষণা কৰে
আলহী-অতিথিৰ আগত

নাৰবো সম্ভৱতঃ নিজা এটা বুৰঞ্জী থাকে
যিয়ে
এটা পুৰুষৰপৰা এটা পুৰুষক
আন এটা পুৰুষলৈ অনা-নিয়া কৰে



Paschim Guwahati Mahavidyalaya
Guwahati-17
Date:..........

PASCHIM GUWAHATI MAHAVIDYALAYA
DHARAPUR, GUWAHATI-781133
DATE DUE
The book taken from the Library is to be returned with 15 (fifteen) days. A fine of Rs. 0.25 paise will be charged under the rules of the library for each day the book in kept beyond time.

| Due Date | Due Date | Due Date | Due Date |
|---|---|---|---|
| | | | |

... যিসময়ত একাকীত্ব বহুতৰ বাবে কৌশল, সেইসময়ত কোনো কবি নিঃসঙ্গ হৈ আধুনিক, কোনো কবি নির্জন হৈ আধুনিক। বিমান কুমাৰ দলেৰ কবিতা নিঃসঙ্গ বা নির্জন নহয়, তেওঁৰ কবিতা জীৱন সংবেদনৰ ধপ্‌ধপনিৰে সতেজ আৰু উমাল। নিজৰ শিপা (root) আৰু জীৱনৰ বিচিত্ৰতাৰ সংলগ্নতাই সৃষ্টি কৰা আত্মিক সংবেদনশীলতাৰ জোৰত নিজক বিচাৰি পাব পৰাৰ যন্ত্ৰণা আৰু প্ৰশান্তিৰে বিমান কুমাৰ দলেৰ এই সংকলনৰ কবিতাসমূহ মনোমুগ্ধকৰ।

অৰিন্দম বৰকটকী
সপোনত এটা সপোন লগ পালোঁ, ২০০৮



₹ 70/-

ISBN 938106987-5
9 789381 069875